**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-04-2024
**Time :** 1715 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

***:::::::::::::::::::::::::::::::::::***

ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে আজি মৰিগাঁৱত উপস্থিত হৈ জিলাখনত নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লয়। নগাঁও লোকসভা সমষ্টিৰ অধীনৰ মৰিগাঁও নিৰ্বাচনী জিলাত উপস্থিত হৈ বিষয়াগৰাকীয়ে মৰিগাঁৱৰ জিলা আয়ুক্ত দেৱাশীষ শৰ্মা, আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাস, অতিৰিক্ত জিলা আয়ুক্ত আৰু নিৰ্বাচনী কামকাজৰ দায়িত্বত থকা বিষয়াসকলৰ সৈতে এখন সভাত মিলিত হয়। সভাত শ্ৰীগোৱেলে  ষ্ট্ৰং ৰুমৰ ব্যৱস্থাপনাৰ সন্দৰ্ভত বিতংভাৱে বুজ লোৱাৰ লগতে ৱেব কাষ্টিং, জি পি এছ ব্যৱস্থা, ই ভি এম ব্যৱস্থাপনা আদি বিষয় সন্দৰ্ভত আলোচনা কৰে।

একেদৰে, নগাঁৱতো মুখ্য নিৰ্বাচনী বিষয়াগৰাকী উপস্থিত হৈ নগাঁৱৰ জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহৰ লগতে জিলা প্ৰশাসনৰ দায়িত্বত থকা বিষয়াসকলৰ সৈতে পৰ্যালোচনাত মিলিত হয়। ইয়াৰ পাছত বিষয়াগৰাকী নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়, নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয় আৰু ডচন উচ্চতৰ মাধ্যমিক বহুমুখী বালক বিদ্যালয়ত উপস্থিত হৈ ষ্ট্ৰং ৰুম, সামগ্ৰীসমূহৰ বিতৰণ ব্যৱস্থা আৰু খাদ্য যোগানকে ধৰি নিৰ্বাচনৰ সৈতে জড়িত সকলো ব্যৱস্থাপনাৰ বুজ লয়।

ooooo

যুৱপ্ৰজন্মৰ ভোটদাতাক ভোটদানৰ প্ৰতি আকৰ্ষিত কৰিবলৈ নিৰ্বাচনী আয়োগে নতুন নতুন কৌশল অৱলম্বন কৰাৰ সময়তে কামৰূপ জিলা নিৰ্বাচনী বিষয়াই জিলাখনৰ উত্তৰ গুৱাহাটীস্থিত ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, আই আই টি গুৱাহাটীৰ সহযোগত  থ্ৰী ডি প্ৰিণ্টেড বেলট মেচিন প্ৰস্তুত কৰি উলিয়াইছে। এই যন্ত্ৰটোৰ সহায়ত নতুন ভোটাৰসকলে ইলেকট্ৰনিক ভোটিং মেচিন ব্যৱহাৰৰ বিষয়ে শিকাৰ লগতে ভোটদানৰ ক্ষেত্ৰত থকা শংকা আঁতৰ কৰি সজাগতা সৃষ্টি কৰিব বুলি প্ৰতিষ্ঠানটোৰ তৰফৰ পৰা জানিবলৈ দিছে। আই আই টি গুৱাহাটীৰ ডিজাইন বিভাগৰ সহকাৰী অধ্যাপক ড০ অজিত কুমাৰৰ তত্বাৱধানত প্ৰস্তুত কৰা এই মেচিনটো পদ্ধতিগত ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী অংশগ্ৰহণকাৰী কাৰ্যসূচীৰ অন্তৰ্গত। ই গ্ৰামাঞ্চলৰৰ ভোটাৰৰ লগতে প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলৈ সাজু হোৱা ভোটদাতা সকলক সজাগ আৰু লাভৱান কৰিব বুলি কামৰূপ জিলা নিৰ্বাচনী বিষয়া কীৰ্তি জল্লীয়ে আশা প্ৰকাশ কৰিছে।

ooooo

কাৰ্বি আংলং নিৰ্বাচনী জিলাত দ্বিতীয় পৰ্যায়ত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। ডিফু, বোকাজান, হাওৰাঘাট, ৰংখাং, আমৰি আৰু হাফলং বিধানসভা সমষ্টিক সামৰি গঠিত ডিফু লোকসভা সমষ্টিৰ সৰ্বমুঠ ৮ লাখ ৯২ হাজাৰ ৭৮৯ জন ভোটাৰ আছে। ইয়াৰে পুৰুষ ভোটাৰৰ সংখ্যা ৪ লাখ ৪৫ হাজাৰ ৮৪ জন হোৱাৰ বিপৰীতে ৪ লাখ ৪৭ হাজাৰ ৫ গৰাকী মহিলা ভোটাৰ আছে। নিৰ্বাচনী জিলাখনত ৪৪৮ টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে বুলি জিলা আয়ুক্ত তথা ৰিটাৰ্নিং বিষয়া মধুমিতা ভাগৰতীয়ে জানিবলৈ দিয়ে। নিৰ্বাচনী জিলাখনৰ ২০টা ভোটগ্ৰহণ কেন্দ্ৰ মহিলা নিৰ্বাচনী বিষয়া-কৰ্মচাৰীয়ে

পৰিচালনা কৰিব। ইপিনে জিলাখনত পোষ্টেল বেলটৰ জৰিয়তে বৰ্তমানলৈকে ৩৫৫ জন ভোটাৰে ঘৰতে নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰিছে।

আনহাতে, নিৰ্বাচনী জিলাখনত ভোটাৰ ৰাইজৰ মাজত ভোটদানৰ সজাগতা বৃদ্ধিৰ বাবে আজি ৰাজ্যিক নিৰ্বাচনী আইকন ৰাকেশ বনিক উপস্থিত হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা ডিফু চহৰলৈ বাহিৰ কৰা চাইকেল ৰেলীত অংশগ্ৰহণ কৰি পেৰা চাইক্লিষ্ট শ্ৰী বনিকে অহা ২৬ এপ্ৰিলত অনুষ্ঠিত হ'বলগা দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনত ডিফু সমষ্টিৰ ভোটাৰ ৰাইজক দলে-বলে ওলাই আহি ভোটদান কৰিবললৈ আহ্বান জনায়।

০০০০০

বি টি আৰত বিজেপিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীলৈ ৰাভা গণ মঞ্চ সমন্বয় সমিতিয়ে সমৰ্থন আগবঢ়াইছে। আজি কোকৰাঝাৰত বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, নিখিল ৰাভা ছাত্ৰসন্থা, সদৌ অসম ৰাভা ছাত্ৰ সন্থা, নিখিল ৰাভা মহিলা পৰিষদ, নিখিল ৰাভা সাহিত্য সভা আৰু নিখিল ৰাভা জাতীয় পৰিষদৰ বিষয়-ববীয়াসকলৰ সৈতে হোৱা বৈঠকৰ অন্তত ৰাভা গণমঞ্চ সমন্বয় সমিতিয়ে এই কথা প্ৰকাশ কৰিছে। বৈঠকত বি টি আৰ প্ৰধানগৰাকীয়ে বিটিআৰত বসবাস কৰা ৰাভাসকলৰ বিভিন্ন সমস্যা সমাধান কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। বিটিআৰ প্ৰধানগৰাকীৰ আশ্বাস আৰু প্ৰতিশ্ৰুতিক সন্মান জনাই দৰং-ওডালগুৰি লোকসভা সমষ্টিৰ বিজেপিৰ মিত্ৰজোঁতৰ প্ৰাৰ্থী দিলীপ শইকীয়া আৰু কোকৰাঝাৰ লোকসভা সমষ্টিৰ জয়ন্ত বসুমকাৰীক পূৰ্ণ সমৰ্থন আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় বুলি ৰাভা গণ মঞ্চৰ সভাপতি-সম্পাদকে জানিবলৈ দিছে।

০০০০০

গোলাঘাট জিলাত লোকসভা নিৰ্বাচনৰ কৰ্তব্যত নিয়োজিত হৈ থকা অসম আৰক্ষীৰ কনিষ্টবল ৰানাবীৰ চৌৰেনৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। কোকৰাঝাৰৰ পৰা গোলাঘাটলৈ গৈ লোকসভা নিৰ্বাচনৰ দায়িত্বত জড়িত হৈ পৰা আৰক্ষী জোৱানজনৰ মৃতদেহ পুলিবৰস্থিত আৰক্ষী নিবেশৰ চৌহদৰ এটা পুখুৰীত উদ্ধাৰ কৰা হয়। আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰনোত্তৰ পৰীক্ষাৰ বাবে গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰি তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰিছে।

০০০০০

ঃসমাপ্তঃ